MSSV JOURNAL OF HUMANITIES AND SOCIAL SCIENCES
VOL.4 NO.1 (ISSN 2455-7706)

# টি.এছ.এলিয়ট ৰ কবিতাত আধুনিকতাবাদৰ প্ৰভাৱ

**ড° হিমাক্ষী কলিতা**
**সহকাৰী অধ্যাপিকা**
**ইংৰাজী বিভাগ**
**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও**

**সংক্ষিপ্ত সাৰঃ** *প্ৰথম বিশ্বযুদ্ধৰ ভয়াৱহতাৰ লগে লগে ৰমন্যাসবাদী সাহিত্যৰ ভাৱ-বিলাসিতা আৰু ভিক্টৰিয়ান সাহিত্যৰ বিশ্বাসযোগ্যতাই খোপনি হেৰুৱাইছিল। সমাজৰ প্ৰতিষ্ঠিত মূল্যবোধসমূহৰ প্ৰতি সংশয়ৰ জন্ম হৈছিল। ইশ্বৰ তথা প্ৰথাগত ধৰ্মৰ প্ৰতি মানুহৰ অনাস্থা আহিছিল। সমগ্ৰ পাশ্চাত্য জগতখনক এক ধৰণৰ নৈৰাশ্যবাদে আগুৰি ধৰা এই সময়তেই টি.এছ.এলিয়টে কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল। কবিতাৰ ক্ষেত্ৰত সম্পূৰ্ণ নতুন আংগিক তথা বিষয়বস্তু উদ্ভাৱনৰ জৰিয়তে টি.এছ.এলিয়টে পাশ্চাত্য কবিতাক এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। এলিয়টৰ কবিতাসমূহে আধুনিক জীৱনৰ নৈৰাশ্য আৰু ক্লান্তিবোধ প্ৰতিফলিত কৰিছিল। এলিয়টে তেখেতৰ কবিতাসমূহৰ জৰিয়তে আধুনিক জীৱনৰ ধ্বংসাত্মক পৰিস্থিতিক বৰ্ণনা কৰিছিল আৰু সোঁৱৰাই দিছিল যে যদিহে আধুনিক মানুহে এক সুস্থ জীৱন-যাপনৰ জৰিয়তে এই ধ্বংসাত্মক পৰিস্থিতিৰ পৰা নিজকে উদ্ধাৰ নকৰে, তেনেহ'লে এই ধ্বংসকামিতাই এদিন সমগ্ৰ বিশ্বকে গ্ৰাস কৰি পেলাব। এই গৱেষণা পত্ৰখনত এলিয়টৰ কবিতাসমূহে কি ধৰণে সম্পূৰ্ণ নতুন দৃষ্টিভংগী তথা পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে আধুনিক পাশাত্য জগতখনক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছিল, তাকেই বিশ্লেষণ কৰিবলৈ বিচৰা হৈছে।*

*সূচক শব্দঃ টি.এছ.এলিয়েট, আধুনিকতাবাদ, নগৰীয়া সভ্যতা, যান্ত্ৰিকতা,আধ্যাত্মিক সাৰশূণ্যতা ইত্যাদি।*

**১.অৱতৰণিকাঃ** আধুনিক ইংৰাজী কবিতাৰ আৰম্ভনি বিংশ শতাব্দীৰ প্ৰথম ভাগৰ পৰাই হোৱা বুলি ক'ব পাৰি। আধুনিক ইংৰাজী উপন্যাসিক আৰু নাটকৰ ৰচয়িতাসকলৰ নিচিনাকৈ,আধুনিক ইংৰাজী কবিসকলেও ভিক্টৰিয়ান যুগৰ প্ৰচলিত ৰীতি-নীতি আৰু অলংকৃত ৰচনা প্ৰণালীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষনা কৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ অন্তত পাশ্চাত্য তথা ইউৰোপীয়ান সমাজখনত অতীজৰে পৰাই চলি অহা চিন্তা-চৰ্চাসমূহৰ বিষয়ে নতুন উপলব্ধিৰ উদ্ভাৱন হৈছিল। প্ৰথম বিশ্বযুদ্ধই যি ধ্বংসলীলা সংঘটিত কৰিছিল সি সৰ্বসাধাৰণৰ মনত অত্যন্ত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল । কেৱল সৰ্বসাধাৰণেই নহয়, সাহিত্য আৰু কলাৰ সৈতে জড়িত ব্যক্তিসকলেও অনুভৱ কৰিবলৈ লৈছিল যে তথাকথিত কলা সাহিত্যৰ তত্ত্বসমূহে বৰ্তমান সমাজৰ বিশৃংখলতা আৰু অৰাজকতাক সঠিক ৰূপত প্ৰতিফলিত কৰিব নোৱাৰে। তাৰ বাবে আৱশ্যক হ'ব কিছুমান নতুন চিন্তাৰ, যিবিলাকে মানুহক বৰ্তমান সামজ-ব্যৱস্থাৰ গাঁথনিটোক সমালোচনা কৰিবলৈ সমল যোগাব। এই ক্ষেত্ৰত আধুনিক পাশ্চাত্য সাহিত্যৰ জগতখনত টি.এছ.এলিয়টৰ ভূমিকা উল্লেখযোগ্য। স্কুলীয়া, জীৱনতেই তেখেতে ব্যাৰিট আৰু জ'ৰ্জ চাণ্টায়'ন ৰ নিচিনা মহান মনিষীসকলৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ লাভ কৰিছিল। এই মহান মনিষীসকলে এলিয়টৰ মাজত বিচাৰি পাইছিল এক বিশাল সম্ভাৱনা যি সময়ত সঁচাৰূপে পৰিগণিত হৈছিল। টি.এছ.এলিয়টক আধুনিক ইংৰাজী সাহিত্যৰ জনক বুলি ক'লেও ভুল কৰা নহ'ব। এলিয়টে ধাৰণা কৰিছিল যে তথাকথিত ইংৰাজী কবিসকলে ক্ৰমান্বয়ে তেওঁলোকৰ সৃষ্টিশীলতা হেৰুৱাই পেলাইছে আৰু কবিতাৰ জগতখন হৈ পৰিছে অত্যন্ত গতানুগতিক। টি. এছ. এলিয়টৰ কবিতাত আধুনিকতাবাদৰ লক্ষণসমূহ স্পষ্ট ৰূপত প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়। টি.এছ.এলিয়টৰ কবিতাত আধুনিক মানৱৰ বিষাদগ্ৰস্ততা তথা উদ্দেশ্যহীনতাই এক অনন্য মাত্ৰা লাভ কৰিছে।

**১.০১. অধ্যয়নৰ গুৰুত্ব ঃ** টি.এছ.এলিয়ট অবিহনে আধুনিক ইংৰাজী সাহিত্যৰ অধ্যয়ন কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। এলিয়টে তেখেতৰ কবিতাসমূহত আধুনিক সমাজৰ সত্তাটোক এক স্বকীয় ৰূপত দাঙি ধৰিছে। বিংশ শতিকাৰ প্ৰথমতেই আধুনিকতাবাদৰ প্ৰৱাহে তথাকথিত সমাজ আৰু তাৰ ধাৰণাসমূহক কি ধৰণে জোঁকাৰি থৈ গৈছিল, তাৰ প্ৰকৃত স্বৰূপ এলিয়টৰ কবিতাসমূহত এক অনন্য ৰূপত পঢ়িবলৈ পোৱা যায়। এলিয়টৰ কবিতাত আমি আগতে দেখিবলৈ নোপোৱা এক ধৰণৰ বুদ্ধিমত্তা আৰু বিচক্ষণতা দেখিবলৈ পাওঁ। এলিয়টৰ কবিতাসমূহৰ এক সামাজিক দিশ আছে। আধুনিক চিন্তাধাৰাই মানুহৰ গতানুগতিক জীৱনধাৰা তথা চিন্তা চৰ্চাসমূহক কিদৰে প্ৰভাৱান্বিত কৰিছিল, সেই বিষয়ে ধাৰণা কৰিবলৈ হ'লে এলিয়টৰ কবিতাসমূহৰ অধ্যয়নৰ গুৰুত্ব অপৰিসীম বুলি অনুভৱ হ'য়।

**১.০২. অধ্যয়নৰ উদ্দেশ্য আৰু পদ্ধতিঃ**

এই গৱেষণা পত্ৰৰ ঘাই উদ্দেশ্য হৈছে টি.এছ. এলিয়টৰ কবিতাসমূহত আধুনিকতাবাদ কিদৰে প্ৰতিফলিত হৈছে তাৰ মূল্যায়ন কৰা। আধুনিক ইংৰাজী সমাজখনক স্বকীয় মাত্ৰা এটা প্ৰদান কৰাত টি.এছ.এলিয়টৰ যথেষ্ট অৱদান আছে। এলিয়টৰ কবিতাৰ বিষয়-বস্তু তথা কাব্যিক ছন্দ হ'ল যথেষ্ট পৰীক্ষা মূলক। এলিয়টৰ কবিতাসমূহে ইংৰাজী কবিতাৰ সম্পূৰ্ণ ধাৰাটোকেই সলাই পেলাবলৈ সক্ষম হৈছিল। এই গৱেষণা-পত্ৰখনত এলিয়টৰ কবিতাৰ এই দিশসমূহৰ ওপৰত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। এই গৱেষণাপত্ৰখন প্ৰস্তুত কৰিবলৈ যাঁওতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০৩. বিষয়ৰ পৰিসৰ** ঃ টি. এছ. এলিয়টৰ কবিতাত আধুনিকতাবাদ শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাঁওতে আলোচনাৰ সুবিধাৰ্থে বিষয়টো দুটা ভাগত ভাগ কৰি লোৱা হৈছে।

**১.০৪ঃ তথ্য আহৰণ উৎসঃ**

মুখ্য উৎসঃ ইংৰাজী কবিতা বিষয়ক বিভিন্ন সংকলনত সন্নিৱিষ্ট টি.এছ.এলিয়টৰ কবিতাসমূহক আলোচনাৰ মূল উৎস হিচাপে লোৱা হৈছে।

গোণ উৎস ঃ গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

**২. আধুনিকতাবাদ** ঃ সাধাৰণ অৰ্থত "আধুনিকতাবাদ" শব্দটো বিংশ শতিকাৰ প্ৰথম ভাগতেই বিশেষকৈ প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৮) ৰ পাছত সাহিত্য আৰু কলাৰ ক্ষেত্ৰখনত দেখা দিয়া বিভিন্ন ধৰণৰ পৰিৱৰ্তনসমূহক সূচাবলৈ ব্যৱহাৰ কৰা হয়। আধুনিকতাবাদৰ বিশেষত্বসমূহ অৰ্থভেদে বিভিন্ন ধৰণৰ হয় যদিও সমালোচকসকলে এটা কথাত একেই ধৰণৰ মত পোষণ কৰে যে আধুনিকতাবাদে পাশ্চাত্য কলা তথা পাশ্চাত্য সংস্কৃতিৰ জগতখনত অতীজৰে পৰাই চলি অহা পৰম্পৰাগত ভেঁটিসমূহৰ পৰা আঁতৰি অহাটোকেই বুজায়। আধুনিকতাবাদৰ সূচনাকাৰীসকলৰ ভিতৰত বিভিন্ন ধৰণৰ চিন্তাবিদসকলৰ নাম ল'ব পাৰি যিসকলে পৰম্পৰাগত সামাজিক গাঁথনি, ধৰ্ম আৰু নৈতিকতাৰ ভেঁটিসমূহক ধৰি ৰখা বিশ্বাসৰ ওপৰত পোন প্ৰথমবাৰৰ বাবে সন্দেহ প্ৰকাশ কৰিছিল। এই চিন্তাবিদসকলে মানৱ সত্বাৰ ওপৰতো নতুন আলোচনা আগবঢ়াইছিল। এই সকলৰ ভিতৰত নীৎসে, কাৰ্ল মাৰ্ক্স, চিগমাণ্ড ফ্ৰ'য়ড, জেমছ জি. ফ্ৰেজাৰ আদিৰ নাম উল্লেখযোগ্য।

নীৎসে নামৰ চিন্তাবিদ গৰাকীয়ে মানৱ সভ্যতাৰ অগ্ৰগামিতাৰ ওপৰত প্ৰশ্ন কৰিছিল। উনবিংশ শতিকাত বিজ্ঞানৰ অভূতপূৰ্ব সফলতাই মানুহক প্ৰত্যয় নিয়াইছিল যে মানৱ সভ্যতাৰ অস্তিত্বৰ ওপৰত কোনো ধৰণৰ প্ৰশ্নৰ অৱতাৰণা হ'ব নোৱাৰে কাৰণ এই পৃথিৱীখনক আগবঢ়াই নিয়াত মানৱ সভ্যতাৰ অৱদান চূড়ান্ত। কিন্তু নীৎসেই মানৱ সভ্যতাৰ অস্তিত্বৰ ওপৰতেই প্ৰশ্ন তুলিছিল আৰু এই ধাৰণা আগবঢ়াইছিল যে মানৱ সভ্যতা যিটো ভেঁটিৰ ওপৰত থিয় দি আছে, তাৰ গাঁথনিটো হ'ল অতি ঠুনুকা। আধুনিক চিন্তাবিদ সকলৰ ভিতৰত কাৰ্ল মাৰ্ক্স ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। কাৰ্ল মাৰ্ক্স এ মত পোষন কৰিছিল যে সমাজ এখনৰ প্ৰধান চৰিত্ৰ নিৰূপন কৰে তাৰ অৰ্থনৈতিক গাঁথনিটোৰ ওপৰত আৰু এই অৰ্থনৈতিক গাঁথনিটো হ'ল অতি অস্থিৰ প্ৰকৃতিৰ যি সমাজখনৰ শ্ৰেণীবিভাজনৰ ওপৰত নিৰ্ভৰশীল। গতিকে, কাৰ্ল মাৰ্ক্স এ আগবঢ়োৱা অৰ্থনৈতিক ধাৰণাই মানুহৰ মনত দ'কৈ শিপাই থকা সামাজিক স্থবিৰতাৰ প্ৰকৃতিৰ ওপৰত আঘাত কৰিছিল। আধুনিকতাবাদৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা, ব্যক্তি এগৰাকী হ'ল চিগমাণ্ড ফ্ৰ'য়ড। চিগমাণ্ড ফ্ৰ'য়ড এ আগবঢ়োৱা অৱচেতনৰ ধাৰণাই মানুহৰ মহৎ সত্বাৰ ওপৰত প্ৰত্যক্ষভাৱে আক্ৰমন কৰিলে। ফ্ৰ'য়ড এ এই কথা প্ৰমাণ কৰিলে যে মানুহৰ সকলো ইচ্ছা-অনিচ্ছা, আশা-আকাঙ্খা দৰাচলতে জৈৱিক প্ৰবৃত্তিসমূহৰ সমষ্টি মাথোন। জেমছ জি. ফ্ৰেজাৰ ৰ বাৰটা খণ্ডত প্ৰকাশিত হোৱা "দ্যা গ'ল্ডেন ব্যাও" নামৰ গ্ৰন্থখনে খ্ৰীষ্টিয়ান ধৰ্মৰ বিশ্বাসযোগ্যতা সম্পৰ্কে প্ৰশ্ন তুলিছিল।

যদিওবা আধুনিকতাবাদৰ সৌধ ভিক্টৰিয়ান যুগৰ শেষৰ ফালৰ পৰাই লাহে লাহে নিৰ্মাণ হৈ আহিছিল, এই কথা নুই কৰিব নোৱাৰি যে প্ৰথম বিশ্বযুদ্ধৰ পিছৰ পৰাই আধুনিকতাবাদে এক দ্ৰুত গতিশীলতা লাভ কৰিছিল। ১৯২২ চনটো আধুনিকতাবাদৰ ক্ষেত্ৰত অত্যন্ত উল্লেখযোগ্য কাৰণ জেমছ জ'য়চ ৰ "ইউলিচিছ", টি.এছ.এলিয়টৰ "দ্যা ৱেষ্ট ল্যাণ্ড্", আৰু ভা .উলফ ৰ "জেক'বছ ৰুম" আৰু অন্যান্য বহুতো পৰীক্ষামূলক সাহিত্যই ১৯২২ চনতেই ভূমুকি মাৰিছিল। প্ৰথম বিশ্বযুদ্ধৰ ধ্বংসলীলাই নৈতিকতা, শংখলতা আৰু পাশ্চাত্য সংস্কৃতিৰ যুক্তিযুক্ততাৰ ওপৰত থকা মানুহৰ বিশ্বাস ভংগ কৰিছিল আৰু গতানুগতিক সাহিত্যই এনে এক অস্থিৰ পৰিৱেশ সঠিকভাৱে প্ৰতিফলিত কৰিব পাৰিব বুলি সন্দেহৰ অৱতাৰণা কৰিছিল।

বিংশ শতিকাৰ আৰম্ভণিতে কেতবোৰ আন্দোলনে আধুনিকতাবাদৰ সংজ্ঞা নিৰূপণ কৰাত সহায় কৰিছিল। এই ক্ষেত্ৰত "ছাৰৰিয়েলিজম্" আন্দোলনৰ নাম ল'ব পাৰি। ছাৰৰিয়েলিজম আন্দোলনে শিল্পকলা, সাহিত্য, ভাস্কৰ্য্য আদিৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। ছাৰৰিয়েলিজম আন্দোলনৰ লগত জড়িত প্ৰধান ব্যক্তিসকল হ'ল ব্ৰেট্যʼন, ল্যই আৰাগ' আৰু চিত্ৰকৰ চালভাদৰ দালি। " কলা সৃষ্টিৰ ক্ষেত্ৰত এই আন্দোলনে একো বাধা বা নিয়ম নামানে। যুক্তি বিচাৰে, প্ৰতিষ্ঠিত নৈতিকতা, সামাজিক আৰু কলাত্মক পৰম্পৰা আদি সকলো কথাকে এই আন্দোলনে অগ্ৰাহ্য কৰিছিল। গভীৰ মনোজগতকে তেওঁলোকে সকলো কলাৰ উৎস বুলি ভাৱিছিল। তেওঁলোকে স্বয়ংক্ৰিয় ৰচনাত বিশ্বাস কৰিছিল। সপোন, টোপনি আৰু সাৰে থকা সময়ৰ মাজৰ মনৰ অৱস্থা, ভ্ৰম আদিৰ সমল তেওঁলোকে ব্যৱহাৰ কৰিছিল " [১] (বৰমুদৈ,১০)। ছাৰৰিয়েলিজমৰ উদাহৰণ হ'ল দাইল্যান থমাছৰ কবিতা আৰু হেনৰি মূলাৰ, উইলিয়াম ব্যাৰো আৰু থ'মাছৰ উপন্যাস।

আধুনিকতাবাদৰ সংজ্ঞা বহন কৰা এক প্ৰধান আন্দোলন হ'ল জাৰ্মানত আৰম্ভ হোৱা এক্সপ্ৰেছনিজম্ আন্দোলন। প্ৰথমতে এই আন্দোলন চিত্ৰকলাৰ ক্ষেত্ৰত আৰম্ভ হৈছিল যদিও পিছলৈ ই সাহিত্যকে আদি কৰি কলাৰ অন্যান্য দিশসমূহ সামৰি লৈছিল। এক্সপ্ৰেছ'নিজম ৰ লগত জড়িত প্ৰধান ব্যক্তিসমূহ হ'ল ভিন্‌চেণ্ট ভ্যান্‌গ'ঘ, প'ল গ'গাঁ, ম্যাঞ্চ, ব'ড্‌ল্যেয়াৰ, ড'ষ্ট'য়েভ্‌স্কি ইত্যাদি। "এক্সপ্ৰেছনিষ্ট চিত্ৰকৰ বা সাহিত্যিকে মানৱ জীৱন আৰু মানৱ সমাজ সম্পৰ্কীয় দিশসমূহ এক অত্যন্ত আৱেগিক আৰু সমস্যা জৰ্জৰিত ৰূপত ব্যক্ত কৰে। এক্সপ্ৰেছ'নিজমে বাস্তৱবাদৰ বিৰোধিতা কৰে আৰু সেয়েহে তেওঁলোকে বাস্তৱবাদক এক অতিৰঞ্জিত ৰূপত প্ৰকাশ কৰে। এক্সপ্ৰেছ'নিষ্ট সকলে বিশ্বাস কৰে যে বিজ্ঞান আৰু প্ৰযুক্তিয়ে আৱৰি ধৰা এই পৃথিৱীত প্ৰত্যেকজন মানুহেই অকলশৰীয়া অনুভৱ কৰে আৰু তেওঁলোকৰ এই কষ্টকৰ অনুভৱ বাস্তৱবাদী কলা আৰু সাহিত্যৰ যোগেদি প্ৰতিফলিত কৰাটো একপ্ৰকাৰ অসম্ভৱ বুলি গণ্য কৰিব পাৰি" [২] (আব্ৰামছ্‌, ১১৯)।

ইমাজিছম্ হ'ল আধুনিক কবিতাৰ ক্ষেত্ৰখনত এক লেখত ল'বলগীয়া আন্দোলন যাৰ গুৰি ধৰিছিল টি. ই. হিউম, এজৰা পাউণ্ড আদিৰ নিচিনা ব্যক্তিসকলে । ইম্যাজিষ্ট কবিসকলে কবিতা লিখিবলৈ এক ধৰণৰ মুক্ত ছন্দ ব্যৱহাৰ কৰে। ইম্যাজিষ্ট কবিসকলে বিভিন্ন ধৰণৰ পৰস্পৰ বিৰোধী আৱেগৰ মাজত এক সংযোগ স্থাপন কৰিবলৈ বিচাৰে আৰু এই সমন্বয় ব্যক্ত কৰিবলৈ তেওঁলোকে বিভিন্ন ধৰণৰ নতুন নতুন চিত্ৰকল্পৰ আৱিস্কাৰত গুৰুত্ব প্ৰদান কৰে। ইমাজিষ্ট কবিসকলে কবিতাৰ বিষয়বস্তুতকৈ কাব্যিক পদ্ধতিৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিলেও তেওঁলোকৰ কবিতাক সম্পূৰ্ণৰূপে আংগিক সৰ্বস্ব বুলি ক'ব নোৱাৰি। এই ক্ষেত্ৰত টি.ই. হিউমৰ মতামত বিশেষভাৱে উল্লেখযোগ্য। " কলাৰূপত যদি কোনো নান্দনিক মানৱীয় আগ্ৰহ নাথাকে, তেন্তে মুৰ্খহঁহে তেনে কলাৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিব। মোৰ বোধেৰে এই কথা প্ৰমাণ কৰি দেখুৱাব পাৰি যে বিমূৰ্ত কলাৰূপে জগাই তুলিব পৰা অনুভূতি সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ সাধাৰণ অনুভূতিয়েই। পাৰ্থক্য ইমানেই যে সিবিলাকক সুকীয়া পদ্ধতিৰে জগাই তোলা হয়" [৩] (পৃষ্ঠা, ২০) ।

আধুনিকতাবাদৰ ক্ষেত্ৰত অত্যন্ত গুৰুত্ব বহন কৰা এক আন্দোলন হ'ল অগ্ৰগামী সৈনিক প্ৰপঞ্চ। "এই সামৰিক ৰূপকৰ অৰ্থ হ'ল এটা সৰু আত্ম-সচেতন শিল্পী-সাহিত্যিকৰ দল যি সদায় নতুন সৃষ্টি কৰিবলৈ যত্নপৰ। অৱহেলিত আৰু কেতিয়াবা নিষিদ্ধ বিষয়বস্তু লৈয়ো তেওঁলোকে নিত্য নতুন শিল্পৰূপ আৰু আংগিক সৃষ্টি কৰিবলৈ যায়। তেওঁলোকে নিজকে প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাৰ পৰা বিছিন্ন বুলি অনুভৱ কৰে আৰু নিজৰ স্বাতন্ত্ৰ্য ঘোষণা কৰে। পাঠকৰ বুৰ্জোৱা সংস্কৃতিৰ পৰা আহৃত অনুভূতিৰ সূক্ষ্মতাক তেওঁলোকে আঘাত কৰিবলৈ বিচাৰে" [৪] ( বৰমুদৈ,১০)।

**৩. টি.এছ.এলিয়টৰ কবিতাত আধুনিকতাবাদ** ঃ থ'মাছ ষ্টাৰ্নছ এলিয়ট (১৮৮৮-১৯৬৮) জন্মসূত্ৰে আমেৰিকান। ১৯২২ চনত এলিয়টে ব্ৰিটিছ নাগৰিকত্ব গ্ৰহণ কৰিছিল। কবিতাৰ ক্ষেত্ৰত এলিয়টৰ প্ৰধান কৃতিসমূহ হ'ল- "প্ৰুফ্ৰ'ক এণ্ড আদাৰ অৱজাৰভেচনছ" (১৯১৭ ), " প'য়েমছ্" (১৯২০), "দ্যা ৱেষ্ট লেণ্ড" (১৯২২), "হ'ল' মে'ন" (১৯২৫), "এছ ৱেডনেছডে' "(১৯৩৪), "ফ'ৰ ক্ৱাটাৰছ" (১৯৩৫-১৯৪২) ইত্যাদি। এলিয়টৰ সাহিত্যিক সমালোচনামূলক গ্ৰন্থসমূহ হ'ল " ছিলেকটেদ এ'চৈছ" (১৯৩২) আৰু "অন প'য়েট্ৰি এণ্ড প'য়েটছ" (১৯৫৭)। ইংৰাজী নাটকৰ জগতখনতো এলিয়টৰ যথেষ্ট অৱদান আছে। " মাৰদাৰ্ ইন দ্যা কে'থেড্ৰেল" (১৯৩৫), "দ্যা ক'ক্‌টেইল পাৰ্টি" (১৯৪৯), দ্যা কন্‌ফিডেঞ্চিয়েল ক্লাৰ্ক " (১৯৫৩), "দ্যা এল্ডাৰ ষ্টেটছমে'ন" (১৯৫৫) আদি কেইবাখনো কাব্যিক নাট এলিয়টে ৰচনা কৰিছিল। ১৯৪৮ চনত এলিয়টে সাহিত্যৰ বাবে ন'বেল বঁটা লাভ কৰিছিল।

ইংৰাজী আধুনিক কবিতাৰ ক্ষেত্ৰখনত টি.এছ. এলিয়টৰ প্ৰভাৱ অপৰিসীম। "এলিয়টে তেখেতৰ কবিতাসমূহৰ যোগেদি উনবিংস শতিকাৰ গতানুগতিক কবিতাৰ বিৰুদ্ধে এক ধৰণৰ জেহাদ ঘোষনা কৰিছিল। এলিয়টৰ কবিতা হ'ল ফৰাচী চিত্ৰকল্পবাদ,

মেটাফি'জিকেল কৰিতা, হিন্দু আৰু বুদ্ধিষ্ট দক্ষনৰ এক অনবদ্য সংমিশ্ৰন"[৫]( ব্লেমায়্যাৰছ, ৯৮)। এলিয়টে তেখেতৰ "দ্যা মেটাফিজিকেল প'য়েটছ" নামৰ গ্ৰন্থখনত উল্লেখ কৰিছিল যে বিংশ শতিকাৰ কবিতাসমূহ জটিল হোৱাটো আৱশ্যকীয় কাৰণ আধুনিক যুগটোৱেই হৈছে জটিলতাৰ যুগ। কবিসমূহে তেওঁলোকৰ কবিতাসমূহত সূক্ষ্ম অনুভূতিৰ যোগেদি এই জটিলতাক ধৰি ৰাখিব পাৰিব লাগিব। এলিয়টৰ কবিতাসমূহ দুৰ্বোধ্য বুলি ক'লেও ভুল কৰা নহ'ব। এলিয়টৰ কবিতা বুজিবলৈ হ'লে পাঠকসকল ইউৰোপীয় সাহিত্যৰ সৈতে অৱগত হ'ব লাগিব কাৰণ এলিয়টৰ কবিতাসমূহ হ'ল অত্যন্ত বৌদ্ধিক। আধুনিক যুগৰ পৰিৱৰ্তিত ধাৰাক কবিতাত প্ৰতিফলিত কৰিবলৈ এলিয়টে বিভিন্ন ধৰণৰ নতুন পদ্ধতিৰ উদ্ভাৱন কৰিছিল যিয়ে তেখেঁতৰ কবিতাক দুৰ্বোধ্য কৰি তুলিছিল। কিন্তু, জৰ্জ উইলিয়ামছে কোৱাৰ নিচিনাকে' এলিয়টৰ কবিতা জটিল আৰু দুৰ্বোধ্য হ'লেও ভিত্তিহীন নহয়। জটিলতা আৰু দুৰ্বোধ্যতাৰ আঁৰত লুকাই আছে এক ধৰণৰ পৰিপক্কতা আৰু যুক্তিযুক্ততা।

এলিয়টে কবিতাসমূহত ৰমন্যাসবাদী কবিসকলৰ নিচিনাকে সুন্দৰ প্ৰকৃতিৰ চিত্ৰ অংকন কৰা নাই। এলিয়টৰ কবিতাৰ পট ভূমি হৈছে যান্ত্ৰিক নগৰীয়া জীৱন। এই নগৰ হ'ব পাৰে ব'ষ্টন, পেৰিচ, ভেনিচ অথবা লণ্ডন। "দ্যা লভ ছং অৱ জে. আলফ্ৰেদ প্ৰফ্ৰ'ক" নামৰ কবিতাত এলিয়টে নগৰৰ আলি-গলিসমূহৰ সবিশেষ বৰ্ণনা দিছে যিয়ে চিত্ৰকল্পবাদৰ জৰিয়তে বক্তাজনৰ মনস্তাত্বিক দিশৰ ওপৰত অৱলোকন কৰিছে। কবিতাটোত বৰ্ণিত সস্তীয়া হোটেল, ধূলিয়ৰি ৰেষ্টোৰাৰ দৃশ্যই ঘোষনা কৰিছে যে আধুনিক নগৰবাসীসকল বৌদ্ধিক তথা আধ্যাত্মিক দিশতকৈ দৈহিক বিলাসিতাৰ প্ৰতি অধিক আগ্ৰহী নগৰীয়া জীৱনৰ অস্থিৰতাক সম্পূৰ্ণ ৰূপে ফুটাই তুলিবলৈ এলিয়টে সৃষ্টি কৰিছে জে আলফ্ৰেদ প্ৰফ্ৰ'ক নামৰ চৰিত্ৰটিৰ যি নিজৰ অস্তিত্ব সম্পৰ্কে নিজেই সন্দিহান কিন্তু চৰিত্ৰটি "নিজৰ হীনমন্যতা সম্পৰ্কে অৱগত। তেওঁ যন্ত্ৰনা ভোগ কৰিছে কাৰণ তেওঁ জানে যে তেওঁ এক নৰকত বাস কৰি আছে। তেওঁ অস্থিৰ অনুভৱ কৰিছে, ভয় খাইছে কিন্তু এই নৰকসদৃশ যন্ত্ৰণাৰ পৰা পৰিত্ৰান পাবলৈ তেওঁৰ হাতত কোনো উপায় নাই " [৬] (স্পেণ্ডাৰ্, ৩৪)। টি.এছ. এলিয়টৰ কবিতাৰ বিভিন্ন চৰিত্ৰসমূহ যেনে চুইনী, পৃফ্ৰ'ক, জেৰঞ্চ'ন, মিঃ এপ'লিনাক্স, হেলে'ন, নেলী প্ৰত্যেকেই আধুনিক নগৰীয়া সভ্যতাৰ বিভিন্ন দিশসমূহ প্ৰতিফলিত কৰিছে। প্ৰত্যেক চৰিত্ৰই আধুনিকতাবাদী নিঃসংগতা, একাকীত্ব, খণ্ডিত জীৱন, জীৱনৰ লক্ষ্যহীনতা আদি অভিজ্ঞতাৰ কথা ক'ব খুজিছে।

টি.এছ. এলিয়টে তেখেতৰ কবিতাত এক ধৰণৰ "মিথি'কেল" পদ্ধতিৰ প্ৰয়োগ কৰিছে। এই পদ্ধতিৰ জৰিয়তে এলিয়টে প্ৰাচীন সভ্যতা আৰু আধুনিক নগৰীয়া সভ্যতাৰ মাজত এক তুলনামূলক অধ্যয়ন দাঙি ধৰিছে। আধুনিক কবি হিচাপে টি.এছ.এলিয়ট আধুনিক জীৱনৰ নৈৰাশ্যবাদ আৰু নিস্তৰংগতা সম্পৰ্কে অৱগত। কবিৰ এই ধাৰণা অধিক দৃঢ়তৰ হৈছে যেতিয়া তেখেতে আধুনিক সভ্যতাৰ আধ্যাত্মিক সাৰশূণ্যতাক প্ৰাচীন ইউৰোপীয় সভ্যতাৰ জ্ঞানগৰ্ভ আধ্যাত্মিকতাৰ লগত তুলনা কৰি চাইছে। মহৎ প্ৰাচীন সভ্যতাৰ বিপৰীতে বৰ্তমানৰ পাশাত্য সভ্যতাৰ অনৈতিকতা আৰু অশৃংখলতা কবিৰ দৃষ্টিত স্পষ্ট ৰূপত ধৰা দিছে। টি.এছ. এলিয়ট প্ৰতীকবাদী কবি হিউমৰ দ্বাৰা অধিক ভাৱে প্ৰভাৱান্বিত আছিল। এলিয়টৰ কবিতাসমূহত প্ৰতীকবাদৰ বহুল প্ৰয়োগ দেখিবলৈ পোৱা যায়। "দ্যা ৱেষ্ট লেণ্ড্" নামৰ কবিতাটোত কবিয়ে লণ্ডন চহৰক "আনৰিয়েল চিটি" (অবাস্তৱ চহৰ) হিচাপে অভিহিত কৰিছে। লণ্ডন চহৰৰ আধ্যাত্মিক অনুৰ্বৰতাক স্পষ্ট ৰূপত প্ৰতিফলিত কৰিবলৈ কবিয়ে খৰাং অৱস্থা, শিল, জুই ইত্যাদি বিভিন্ন প্ৰতীকৰ ব্যৱহাৰ কৰিছে। শিল হৈছে আধ্যাত্মিক অনুৰ্বৰতাৰ প্ৰতীক, জুই হৈছে নৈতিকতাবিহীন কামনাৰ প্ৰতীক, পানীবিহীন খৰাং অৱস্থা হৈছে আধুনিক মানৱৰ নিঃসংগতাৰ প্ৰতীক। আধুনিক মানৱ সভ্যতাৰ ধ্বংসাত্মক অৱস্থাক প্ৰতীয়মান কৰিবলৈ এলিয়টে মৃতদেহকো প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। মেথিছেন্ নামৰ সমালোচক গৰাকীয়ে কৈছিল, " প্ৰথম বিশ্বযুদ্ধৰ ঠিক আগে আগে টি.ই. হিউম আৰু ইজৰা পাউণ্ড্ নামৰ ব্যক্তি দুগৰাকীয়ে কবিতাৰ জগতখনলৈ এক নতুন সজীৱতা আনিছিল আৰু এই সজীৱতাই টি.এছ.এলিয়টক কবি হিচাপে আগবাঢ়ি যোৱাত ভালেখিনি সহায় কৰিছিল" [৭]( পৃষ্ঠা, ৪) । কবি হিচাপে এলিয়টে তেখেতৰ চাৰিওফালৰ জগতখনৰ পৰা নতুন সাদৃশ্য, তুলনা আদি গোটোৱাৰ ওপৰত গুৰুত্ব দিছিল। এলিয়টৰ কবিতাত নতুন সংযোগ, সাদৃশ্য আৰু তুলনা উদ্ভাৱনে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

এলিয়টৰ কবিতাসমূহত এক ধৰণৰ নাটকীয় দৃষ্টিভংগী দেখিবলৈ পোৱা যায়। "জেৰঞ্চন্", "চুইনী আমং দ্যা নাইটিংগেলছ", "দ্যা লৱ ছং অৱ জে আল্‌ফ্ৰেদ্ পৃফ্ৰ'ক, প'ট্ৰেইট্ অৱ অ্যা লেডী", "জাৰ্‌নি অৱ দ্যা মেজাই" আদি কবিতাসমূহে আধুনিক মানৱৰ মনস্তাত্বিক দিশসমূহৰ বিশ্লেষণ কৰিছে আৰু এই বিশ্লেষণ কৰিবলৈ যাঁওতে এলিয়টে কবিতাসমূহত এক ধৰণৰ নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই নাটকীয়তাৰ জৰিয়তে কবিয়ে আধুনিক সভ্যতাৰ এক সম্পূৰ্ণ চিত্ৰ পাঠকসকলৰ সন্মুখত দাঙি ধৰিছে। এলিয়টে তেওঁৰ কবিতাসমূহত বিভিন্ন ধৰণৰ ভাৱ, আৱেগ, অনুভূতি আৰু অভিজ্ঞতাক বিভিন্ন ধৰণৰ সংযোগৰ সহায়ত অতি সংক্ষিপ্ত ধৰণে প্ৰকাশ কৰিছে। সেয়েহে, এলিয়টৰ কবিতাত নিহিত হৈ থকা ভাৱধাৰা বুজিবলৈ হ'লে পাঠকসকলে তেওঁলোকৰ বুদ্ধিশীলতাৰ ডপযুক্ত প্ৰয়োগ কৰিব লাগিব।

**উপসংহাৰ ঃ** এলিয়টে কবিতাসমূহত সদাযেই অনুভূতি প্ৰকাশৰ মাধ্যম হিচাপে বাচনি কৰি লৈছিল এলানি বস্তু, এটা পৰিস্থিতি আৰু এলানি ঘটনাক। এলিয়টে নিজে এই কথা বিশ্বাস কৰিছিল যে প্ৰভাৱ আৰু অনুকৰণৰ মাজত পাৰ্থক্য হ'ল যে প্ৰভাৱে সৃজনাশীল ক্ষমতাক সৰ্গভা কৰে আৰু অসচেতন অনুকৰনে, কেৱল বন্ধ্যা কৰিবহে পাৰে। এলিয়ট যদিও ফৰাছী প্ৰতীকবাদ, মে'টাফিজিকেল কবিতা, চিত্ৰকল্পবাদ আদিৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত আছিল কিন্তু এলিয়টে ইংৰাজী কবিতাৰ জগতখনক ভাষা, চিন্তা আৰু ৰূপৰ ক্ষেত্ৰত এক নতুনত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছিল। এলিয়টে এই কথা বুজি উঠিছিল যে আপেক্ষিকভাৱে সংহত আৰু স্থিৰ প্ৰকৃতিৰ পৰম্পৰাগত সাহিত্যৰ জৰিয়তে সমকালীন বুৰঞ্জীৰ সাৰশূন্যতা আৰু অৰাজকতাৰ পৰিস্থিতিক ধৰি ৰাখিব পৰা নহ'ব। সেয়েহে এলিয়টে তেখেতৰ কবিতাসমূহত নতুন শিল্পৰূপ, পৰীক্ষামূলক আংগিক, খণ্ডিত উক্তি, পৰিকল্পিত বিচ্ছিন্নতা আদিৰ জৰিয়তে সমসাময়িক বিশৃংখলতাক ধৰি ৰাখিবৰ কাৰনে তৎপৰ হৈছিল। ব্যতিক্ৰম আৰু অসাধাৰণ নিৰীক্ষণ আছিল এলিয়টৰ কবিতাৰ ভেঁটি। এলিয়টৰ কবিতাসমূহত আধুনিক মানুহৰ যন্ত্ৰনাকাতৰ মানসিকতা আৰু আধুনিক সমাজ জীৱনৰ অৰাজকতা প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। ইয়ে প্ৰমান কৰে যে এলিয়ট আছিল এক সামাজিকভাৱে সচেতন ব্যক্তি। দ্যা ৱেষ্ট ল্যাণ্ড, "দ্যা হ'ল' ম্যিন্" আদি কবিতাত কেতিয়াবা প্ৰত্যক্ষভাৱে আৰু কেতিয়াবা পৰোক্ষভাৱে কবিয়ে এই মত পোষন কৰিছে যে আত্ম-সংযম, আধ্যাত্মিকতা, পৰিমিতাচাৰ আদি গুণৰ কঠোৰ অনুশীলন কৰিলেহে আধুনিক মানুহে আধুনিক জীৱনৰ ৰোগগ্ৰস্ততাৰ পৰা পৰিত্ৰান পাবলৈ সক্ষম হ'ব। গতিকে, এলিয়টৰ কবিতাসমূহত এক ধৰণৰ আত্মসচেতনতা পৰিলক্ষিত হোৱা দেখিবলৈ পোৱ যায়।

গ্ৰন্থপঞ্জীঃ

1. বৰমুদৈ, ড° আনন্দ, "আধুনিকতাৰ পৰা উত্তৰ আধুনিকতালৈ", বনলতা, পানবজাৰ, ২০০৪,
2. Abrams, M.H. & Geoffrey Galt Harpham. *A Glossary of Literary Terms*, Cengage Learning, Delhi, 2015, Print.
3. Hume, T.E. " Modern Art", *The New Age*, Vol. XV No.10, July 9, 1914, Print.
4. বৰমুদৈ, ড° আনন্দ, ibid.
5. Blamires, Harry, *Twentieth Century English Literature*, 2nd, Edition. Houndmills,Basingstope, Hampshire, Macmillan,1986, Print.
6. Spender, Stephen, *T.S. Eliot*, New York, Penguin Books Ltd, 1976, print.
7. Matthiessen F.O. *The Achievement of T.S. Eliot*, New York: Oxford University Press, 1959.